**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-----------------------

১। অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত আজিৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদযাপন।

২। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহৰ ব্যাপক প্ৰচাৰ অভিযান।

৩। চলিত বৰ্ষত ৬৮ জন লোকক উৎকোচ লোৱা গোচৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা হৈছে বুলি তদাৰকী আৰু দুৰ্নীতি নিবাৰণ সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধানৰ প্ৰকাশ। **আৰু**

৪। নিউজিলেণ্ডৰ ভাৰতৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলৰ আজি তৃতীয় দিনা ১৭১ ৰাণৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ।

oooooo

অসমীয়াৰ লগতে ৰাজ্যৰ অন্যান্য জনগোষ্ঠীয় ভাষা আৰু বৰ্ণিল সংস্কৃতিৰ প্ৰচাৰ তথা প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত আজিৰ পৰা ৯ নৱেম্বৰলৈকে ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপন কৰা হ'ব। অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ বিৰল স্বীকৃতিক প্ৰতিজন অসমীয়াৰ ওচৰলৈ নিয়াৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। চতুৰ্থ শতিকাৰ পৰা পৰ্যায়ক্ৰমে অসমীয়া ভাষা সাহিত্যলৈ বৰঙণি যোগোৱা মনিষী, পণ্ডিত আৰু ভাষাবিদসকললৈ কৃতজ্ঞতা জ্ঞাপনৰ লগতে ভাষা গৌৰৱ সপ্তাহৰ বিভিন্ন কাৰ্যসূচীৰ অধীনত প্ৰকাশন পৰিষদে প্ৰকাশ কৰা **ধ্ৰুপদী অসমীয়া** শীৰ্ষক গ্ৰন্থ নাগৰিকৰ মাজত বিতৰণ কৰা হ'ব। লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক লাখ নাগৰিকৰ জৰিয়তে কৃতজ্ঞতাসূচক পত্ৰ প্ৰেৰণ কৰাৰ উপৰি অসমীয়াকে ধৰি ৰাজ্যৰ ১৪টা ভাষাত শৈক্ষিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

গুৱাহাটীত আজি ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ৰাজ্য চৰকাৰৰ আন আন মন্ত্ৰীসকল বিভিন্ন জিলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কাৰ্বি আংলং জিলাতো ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ডিফুৰ চাৰ্চিং টেৰণ লাংকুং হাবে মেম'ৰিয়েল টাউন হলত আজি অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰংবং টেৰাঙকে ধৰি কেইবাগৰাকী লেখক, সাহিত্যিক উপস্থিত থাকিব। ইপিনে, মৰিগাঁৱত আজি ভাষা গৌৰৱ সপ্তাহৰ উদ্বোধনী কাৰ্যসূচীত মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক তথা ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধ্যক্ষ ৰমাকান্ত দেউৰী মুখ্য অতিথিৰূপে উপস্থিত থাকিব।

আনহাতে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ আজি বিয়লি কৰিমগঞ্জ জিলা পুথিভঁৰালত ভাষা গৌৰৱ সপ্তাহ উপলক্ষে এখন আলোচনা সভা অনুষ্ঠিত হ'ব। একেদৰে শিৱসাগৰৰ যুৱদল প্ৰেক্ষাগৃহত এই কাৰ্যসূচীৰ প্ৰথমটো অনুষ্ঠান আজি অনুষ্ঠিত হ'ব।

গোলাঘাট জিলাৰ বীৰাংগনা সতিসাধনী কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত আজি দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীত মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব।

০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে শাসকীয় বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ লগতে আঞ্চলিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ লগতে কংগ্ৰেছ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই ভোটাৰৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে। ইফালে, বিহালী বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিধায়ক দিগন্ত কলিতাই বিভিন্ন স্থানত প্ৰচাৰ অভিযান চলোৱাৰ পাছত সমষ্টিটোত নিৰ্বাচনী তৎপৰতা তুংগত উঠিছে। একেদৰে কাছাৰৰ ধলাই বিধানসভা সমষ্টিত আৰু চিৰাঙৰ চিদলী সমষ্টিতো প্ৰাৰ্থী আৰু সমৰ্থকসকলে ব্যাপক প্ৰচাৰ চলাইছে। চামগুৰি সমষ্টিতো বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ কেবিনেট মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা বিমল বৰাই কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ইপিনে, চিদলী বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁট সমৰ্থিত ইউ পি পি এল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মই কালি কাশিকোত্ৰা সমূহীয়া ভৱনত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰমোদ বড়ো নেতৃত্বাধীন চৰকাৰে বিটিচিত শান্তি প্ৰতিষ্ঠা কৰি উন্নয়ন ত্বৰান্বিত কৰিবলৈ সক্ষম হৈছে বুলি প্ৰাৰ্থীগৰাকীয়ে উল্লেখ কৰাৰ লগতে নিৰ্বাচনত সহজেই জয়ী হ'ব বুলি সংবাদ মাধ্যমৰ সন্মুখত মন্তব্য কৰে।

০০০০০০

ৰাজ্য চৰকাৰে মাজুলীৰ প্ৰতিখন ৰাস সমিতিলৈ পুনৰ ৫০ হাজাৰ টকাকৈ অতিৰিক্ত আৰ্থিক সাহায্য আগবঢ়াব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যম এক্স যোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে, প্ৰতিখন ৰাস সমিতিলৈ চৰকাৰে আগবঢ়াব খোজা ২৫ হাজাৰ টকাৰ আৰ্থিক সাহায্যৰ সৈতে এই ধনৰাশি যোগ হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, মাজুলীৰ ৰাস উৎসৱ অসমৰ ভাবনা আৰু সাংস্কৃতিক সত্তা উদযাপনৰ মূৰ্তৰূপ। অসমৰ বৰ্ণাঢ্য ঐতিহ্য আৰু পৰম্পৰা সাৰ্থক ৰূপত তুলি ধৰাৰ বাবে চৰকাৰে আৰ্থিক সাহায্য আগবঢ়োৱাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই সন্দৰ্ভত আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়—

***(বাইট)***

ইপিনে ৰাজ্যৰ বিভিন্ন ঠাইত শৰৎ পূৰ্ণিমা উপলক্ষে ৰাসৰ আয়োজন কৰা হৈছে। মাজুলীৰ বিভিন্ন সত্ৰ আৰু নামঘৰসমূহত ভক্তিপ্ৰাণ বৈষ্ণৱ সমাজে শ্ৰীকৃষ্ণৰ শিশুলীলা আৰু ৰাসলীলাৰ আখৰা অব্যাহত ৰাখিছে। জিলাখনত সৰ্বমুঠ ৬৫ খন ৰাস প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। ইফালে, নামনি অসমতো পলাশবাৰী, মিৰ্জা, ৰামপুৰ, ছয়গাঁও, নলবাৰী, টিহু, মাখিবাহা, শুৱালকুছি ইত্যাদি ঠাইত পুতলা ৰাসৰ আয়োজন কৰা হৈছে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে নিয়ন্ত্ৰণবিহীন জমা আঁচনি নিষিদ্ধকৰণ আইনৰ অধীনৰ গোচৰৰ তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়া সন্দৰ্ভত এখন অধিসূচনা জাৰি কৰিছে। এই অধিসূচনা অনুসৰি নিয়ন্ত্ৰণবিহীন জমা আঁচনি নিষিদ্ধকৰণ আইনৰ অধীনত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাই তদন্ত চলাই থকা গোচৰসমূহৰ ক্ষেত্ৰত এজাহাৰ, অভিযোগনামা, চূড়ান্ত প্ৰতিবেদন আদি চিবিআইৰ বিশেষ ন্যায়াধীশৰ আদালতত দাখিল কৰিব লাগিব। একেদৰে চিবিআইৰ বিশেষ ন্যায়াধীশৰ আদালতে জামিন আবেদন, জিম্মাত বিচৰা আবেদন আদি নিষ্পত্তিৰ দায়িত্ব চিবিআইৰ ২ আৰু ৩ নম্বৰ অতিৰিক্ত আদালতক অৰ্পণ কৰিব পাৰিব।

০০০০০০

তদাৰকী আৰু দুৰ্নীতি নিবাৰণ সঞ্চালকালয়ে বৰ্তমান চৰকাৰৰ কাৰ্যকালত চৰকাৰী বিষয়া-কৰ্মচাৰীক উৎকোচ লোৱা অৱস্থাত হাতে-লোটে ধৰাৰ বাবে চলোৱা ২০৭টা অভিযান সফল হৈছে। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত তদাৰকী আৰু দুৰ্নীতি নিবাৰণ সঞ্চালকালয়ৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান সুৰেন্দ্ৰ কুমাৰে এই বিষয়ে প্ৰকাশ কৰি কয় যে, এই গোচৰসমূহত ২৫৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা লোকসকলৰ ভিতৰত ২৩৬ জনেই চৰকাৰী কৰ্মচাৰী আৰু ২০ জন মধ্যভোগী বুলিও তেওঁ উল্লেখ কৰে। আনহাতে এই লোকসকলৰ পৰা সাত কোটি ৮০ লাখৰো অধিক টকা জব্দ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। ইপিনে ২০২৪ বৰ্ষত ৫৫টা এনে অভিযান সফল হোৱাৰ লগতে ৬৮ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। যোৱা ২৮ অক্টোবৰৰ পৰা পালন কৰা সতৰ্কতা সপ্তাহ সম্পৰ্কে উল্লেখ কৰি কয় যে, কেন্দ্ৰীয় তদাৰকী আয়োগে প্ৰতিবছৰে ৰাইজৰ মাজত দুৰ্নীতিৰ কু-প্ৰভাৱৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে এই সপ্তাহ পালন কৰে। আজি এই সপ্তাহৰ সামৰণি পৰিব। সত্যনিষ্ঠ সংস্কৃতিক জৰিয়তে দেশৰ সমৃদ্ধি মূল বিষয়বস্তু হিচাপে লৈ এই বছৰ সতৰ্কতা সপ্তাহ পালন কৰা হৈছে। উৎকোচ বিচৰা বা উৎকোচ দিয়া, চৰকাৰী বিষয়া-কৰ্মচাৰীৰ আয়তকৈ বেছি সম্পত্তি আৰু চৰকাৰী পুঁজিৰ অপব্যৱহাৰত দুৰ্নীতি বিৰোধী আইনৰ অধীনত অপৰাধ হিচাপে গণ্য কৰি সঞ্চালকালয়ে গোচৰ ৰুজু কৰে বুলিও তেওঁ উল্লেখ কৰে। আনহাতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতিৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সঞ্চালকালয়ে চলোৱা দুৰ্নীতি বিৰোধী অভিযানত উল্লেখযোগ্য সফলতা লাভ কৰিছে। আনহাতে জনসাধাৰণক উৎকোচ নিদিবলৈ আহ্বান জনায় তেওঁ কয় যে, বাধ্যতপৰি কোনো নাগৰিকে উৎকোচ দিবলগীয়া হ'লেও সাত দিনৰ ভিতৰত আৰক্ষী বা দুৰ্নীতি নিবাৰণী সঞ্চালকালয়ক অৱগত কৰিলে সেয়া অপৰাধ বুলি গণ্য কৰা নহয়। জনসাধাৰণে ১৮০০ ৩৪৫৩৭৬৭ টোল ফ্ৰী নম্বৰত ফোন কৰি এনে অভিযোগ দাখিল কৰিব পাৰিব। জনসাধাৰণে নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ ০৩৬১ ২৪৬৪৪৯৫ নম্বৰ লগতে ৬০২৬৯০১২৪৩ নম্বৰত হোৱাটএপ যোগে অভিযোগ দাখিল কৰিব পাৰিব। অভিযোগ দাখিল কৰাৰ ক্ষেত্ৰত সঠিক নাম-ঠিকনা উল্লেখ কৰিব লাগিব বুলিও তেওঁ কয়।

*(বাইট)*

০০০০০০

খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ে যোৱা বৰ্ষৰ নাম পঞ্জীয়নৰ অভিলেখ ভংগ কৰি এক মাইলৰ খুটি স্থাপন কৰিছে। খেল মহাৰণৰ জৰিয়তে ক্ৰমান্বয়ে মানুহৰ মাজত গঢ় লৈ উঠা ক্ৰীড়া মানসিকতাই ৰাজ্যত ক্ৰীড়া সংস্কৃতিৰ বিকাশত অৰিহণা যোগাব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমত এটা পোষ্টত কয় যে, যোৱাবাৰ এই কাৰ্যসূচীত ৫২ লাখ ৭৬ হাজাৰ লোকে নাম পঞ্জীয়ন কৰাৰ বিপৰীতে এইবাৰ কালিলৈ ৫৩

লাখ ৫৮ হাজাৰ লোকে নাম পঞ্জীয়ন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকাশৰ বাবে এখন মঞ্চ দিয়াৰ বাবে খেল মহাৰণৰ আয়োজন কৰা বুলি উল্লেখ কৰে।

০০০০০০

জাহাজ পৰিবহণ, বন্দৰ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে তেওঁৰ ডিব্ৰুগড়ৰ বাসগৃহত কালি ১৩ বছৰ অনূৰ্ধৰ অল ইণ্ডিয়া ছাব জুনিয়ৰ ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা অসমৰ খেলুৱৈসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৱা ২৫ৰ পৰা ৩০ অক্টোবৰলৈ অনুষ্ঠিত এই প্ৰতিযোগিতাত অসমৰ খেলুৱৈসকলে উন্নত প্ৰদৰ্শন কৰিছিল। মন্ত্ৰীগৰাকীয়ে কয় যে, খেলুৱৈসকলে অনাগত দিনতো ন-উদ্যমেৰে আৰু উৎকৃষ্ট প্ৰদৰ্শনেৰে জিলিকি উঠি ৰাজ্যখনৰ ক্ৰীড়া জগতৰ সুনাম বৃদ্ধি কৰিব বুলি আমি দৃঢ় বিশ্বাসী। অসমত বিগত এটা দশকত ক্ৰীড়াক্ষেত্ৰত নৱজাগৰণৰ সূচনা কৰাৰ লগতে ৰাজ্যখনৰ তৃণমূল পৰ্যায়ৰ পৰাই ন-ন ক্ৰীড়া প্ৰতিভা গঢ় লৈছে বুলি কেন্দ্ৰীয়মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। ভৱিষ্যতে অসমে দেশৰ ক্ৰীড়া মানচিত্ৰত নতুন ৰূপত জিলিকি উঠিব লাগিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

নিউজিলেণ্ডে ভাৰতৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলৰ আজি তৃতীয় দিনা ৯ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ১৭১ ৰাণৰ পৰা দ্বিতীয় ইনিংছ আৰম্ভ কৰিব। নিউজিলেণ্ড হাতত এটা উইকেট বাকী থকা অৱস্থাত ভাৰততকৈ সামগ্ৰিকভাৱে ১৪৩ ৰাণত আগবাঢ়ি আছে। ভাৰতৰ হৈ দ্বিতীয় ইনিংছত ৰবীন্দ্ৰ জাদেজাই চাৰিটা আৰু ৰবিচন্দ্ৰন অশ্বিনে তিনিটা উইকেট দখল কৰে। ৱাশ্বিংটন সুন্দৰ আৰু আকাশদীপে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে কালি শুভমন গীলৰ আকৰ্ষণীয় ৯০ আৰু ঋষভ পণ্টৰ ৬০ ৰাণৰ সহায়ত প্ৰথম ইনিংছত ২৬৩ ৰাণ সংগ্ৰহ কৰে আৰু নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ২৮ ৰাণৰ অগ্ৰগতি লাভ কৰে। গীল আৰু ঋষভ পণ্টে ১১৪ টা বলত ৯৬ ৰাণ সংগ্ৰহ কৰি দলৰ স্থিতি শক্তিশালী কৰে।

০০০০০০

বহু হেজাৰ কোটি টকীয়া ষ্টক ট্ৰেডিং কেলেংকাৰীৰ খলনায়ক দিপাংকৰ বৰ্মনৰ জালিয়াতি আৰু লুণ্ঠনৰ বৃত্তান্ত বিচাৰি মহানগৰ আৰক্ষীৰ অভিযান অব্যাহত থকাৰ বাতৰিটো দৈনিক অসম কাকতে দিপাংকৰৰ লুণ্ঠনৰ বৃত্তান্ত বিচাৰি হায়ৰান মহানগৰ আৰক্ষী শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সন্দৰ্ভত কানাডাৰ এজন মন্ত্ৰীয়ে কৰা মন্তব্যক লৈ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম Canada's Allegations againt Shah Baseless : INDIA।

চি বি আইৰ বিশেষ আদালতে ট্ৰেডিং কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰ হোৱা চাৰিজন অভিযুক্ত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা বাতৰিটো দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

পোহৰৰ উৎসৱ দীপাৱলীয়ে ৰাজ্যৰ পাৰিপাৰ্শ্বিকতালৈ ভয়ংকৰ বিপদ মাতিছে। একেৰাহে ফটকা, আতচবাজী ফুটোৱাৰ বাবে দ্ৰুত গতিত ৰাজ্যৰ বায়ু গুণাগুণ নিম্নগামী হোৱাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা এটা বিতং বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জীৱন্ত ৰাস অনুষ্ঠিত কৰা প্ৰায় দুহেজাৰ সমিতিলৈ এককালীন সাহায্য ঘোষণা কৰাৰ পাছত মাজুলীৰ ৰাসৰ বাবে মুখ্যমন্ত্ৰীৰ বিশেষ সাহায্য ঘোষণা সন্দৰ্ভত এটা বাতৰি দৈনিক জনমভূমি কাকতে **৭৫ হাজাৰ**

**টকাকৈ লাভ কৰিব মাজুলীৰ প্ৰতিখন ৰাস সমিতিয়ে** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতি কোন হ'ব তাকে লৈ সাহিত্য প্ৰেমীৰ উৎকণ্ঠা অব্যাহত থকাৰ বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উৰণ সেঁতু নিৰ্মাণৰ নামত দীঘলী পুখুৰীৰ শতিকাপুৰণি গছ কাটি পেলাবলৈ চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ অহ্যাহত থকাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা এটা বিতং বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত দীঘলীপুখুৰীত অব্যাহত গছ সুৰক্ষা আন্দোলন শিৰোনামেৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত